প্ৰেছ বিজ্ঞপ্তি
১ মাৰ্চ,২০১৭

**আৰ বি আয়ে দ্য ৰাজসমণ্ড আৰবান কো-অপাৰেটিভ বেংক লিমিটেড, ৰাজসমণ্ডক দণ্ড বিহিছে**

ভাৰতীয় ৰিজাৰ্ভ বেংকে, দ্যা ৰাজসমণ্ড আৰবান কো-অপাৰেটিভ বেংক লিমিটেড, ৰাজসমণ্ডক (i) ধাৰৰ লগত মূলধনী অংশক সংযোজিত কৰা, (ii) নিৰ্ধাৰিত ব্যক্তিগত ঋণী উন্মোচন সীমা উলংঘন, (iii) নিৰ্ধাৰিত সীমাতকৈ অধিক অসুৰক্ষিত ঋণ মঞ্জুৰ কৰা আৰু এটা চিচি একাউন্টত নিৰ্ধাৰিত সীমাতকৈ অধিক সঘনাই অডিৰ অনুমতি দিয়া, (iv) অনা-বেংকিং সম্পদ অভিগ্ৰহণ কৰা বিষয়ক আৰ বি আই নিৰ্দেশ/নিৰ্দেশনামা উলংঘনৰ কাৰণে বেংকিং বিনিয়ম আইন, ১৯৪৯ৰ ধাৰা ৪৬(৪)ৰ সৈতে পঠিত ধাৰা ৪৭ক(১)(গ)ৰ উপবন্ধসমূহৰ অন্তৰ্গত ইয়াক প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি ৫.০০ লাখ টকা (পাঁচ লাখ টকা মাত্ৰ)ৰ অৰ্থদণ্ড বিহিছে।

বেংকটোৰ পৰিদৰ্শনৰৰ তথ্যৰ ওপৰত নিৰ্ভৰ কৰি ভাৰতীয় ৰিজাৰ্ভ বেংকে, বেংকটোক এখন কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছিল, যাৰ সমিধানত বেংকটোৱে এক লিখিত উত্তৰ দিছিল আৰু আৰ বি আইৰ কাৰ্যকৰী সঞ্চালকৰ আগত ব্যক্তিগত কৈফিয়ত্ দাখিল কৰিছিল। ঘটনাটোৰ যথাৰ্থতা আৰু বেংকটোৰ উত্তৰৰ বিবেচনাৰ পাছত ৰিজাৰ্ভ বেংক এই সিদ্ধান্তলৈ আহে যে উলংঘনবোৰ সাব্যস্ত হৈছে আৰু অৰ্থদণ্ড আৰোপ কৰাটো আৱশ্যক হৈছে।

**অজিত প্ৰসাদ**
সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তিঃ ২০১৬-২০১৭/২৩২৮**